**জিলা পৰিবহন প্ৰবন্ধক (প্ৰশাসনীয়) অ.এচ.আৰ.টি.চি., উৰিষ্যা**

***বনাম***

**দিলীপ কুমাৰ নায়ক আৰু অন্য**

**নৱেম্বৰ ২৯, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. টি. নানাৱতী]**

*ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ : ধাৰা ৩৩(১)(এ) আৰু ৩৩-এ।*

*পৰিবহন নিগম – সুচাৰুৰূপে কৰ্তব্য সম্পাদন আৰু পৰিবহনৰ সুমন্বয়িত সেৱাৰ বাবে কেইবাটাও মণ্ডলৰ গঠন – প্ৰত্যেকটো মণ্ডল ইয়াৰ পৰিচালনাৰ কাৰ্যকাৰিতাৰ ক্ষেত্ৰত স্বতন্ত্ৰ – উত্তৰদাতা-কণ্ডাক্টৰ এটা মণ্ডলত কৰ্মৰত – অসদাচৰণৰ বাবে বৰ্খাস্তকৰণ – এই ভিত্তিত প্ৰত্যাহ্বান জনোৱা হয় যে ঔদ্যোগিক ন্যায়াধিকৰণৰ অনুমতি অবিহনে তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰিব নোৱাৰি যিহেতু ঔদ্যোগিক ন্যায়াধিকৰণত অন্য এক মণ্ডলৰ কৰ্মচাৰী এগৰাকীৰ সন্দৰ্ভত এক বিবাদ অমিমাংসিত হৈ আছে – ন্যায়াধিকৰণৰ দ্বাৰা দাবী নাকচ – উচ্চ ন্যায়ালয়ে ৰায় দিয়ে যে খাৰিজৰ আদেশ আইনমতে গ্ৰহণযোগ্য নহয় – আবেদন – ৰায় দিয়া হয় যে সকলো মণ্ডল একক ইউনিট হিচাপে সমন্বয়িত পৰিবহন সেৱাৰ অবিচ্ছেদ্য অংগ নহয় – সেয়েহে, সকলো মণ্ডল নিগমৰ এক অবিচ্ছেদ্য অংগ বুলি গণ্য কৰা আৰু এক অন্য মণ্ডলত এগৰাকী কৰ্মচাৰীৰ ঔদ্যোগিক বিবাদ অমিমাংসিত হৈ থকাটোৰে পৰিচালকবৰ্গই সেই নিৰ্দিষ্ট*

*মণ্ডলটোত এগৰাকী কৰ্মচাৰীৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা কৰাত বাধাৰ সৃষ্টি কৰিব বুলি উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা সিদ্ধান্ত স্পষ্টভাৱে ভুল - এনে গোচৰত পৰিচালকবৰ্গই আইনখনৰ ধাৰা ৩৩-এ-ৰ আধাৰত ঔদ্যোগিক ন্যায়াধিকৰণৰ পৰা অনুমতি বিচৰা আৰু প্ৰাপ্ত কৰাৰ প্ৰয়োজন নাই।*

*ঈশা ষ্টীল ট্ৰিটমেণ্ট, বম্বে* **বনাম** *এচ'চিয়েশ্যন অফ ইঞ্জিনিয়েৰীং ৱৰ্কাৰ্ছ বম্বে আৰু অন্য,* **[১৯৮৭] ২ এচ.চি.চি. ২০৩ আৰু** *ৱৰ্কমেন* **বনাম** *ষ্ট্ৰ ব'ৰ্ড মেন্যুফেক্চাৰিং কো. লিমিটেড,* **[১৯৭৪] এচ.চি.চি. ৬৮১-ৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।**

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : ১৯৯৬-ৰ দেৱানী আবেদন সংখ্যা ১৫৬০৬।

১৯৮৯-ৰ অ.জে.চি. সংখ্যা ১৯৭০-ত উৰিষ্যা উচ্চ ন্যায়ালয়ৰ ১৯.৭.৯১ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ এ. কে. পাণ্ডা।

উত্তৰদাতাসকলৰ হৈ শ্ৰীমতি সাৰদা দেৱী।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হয় :

বিলম্ব ক্ষমা কৰা হয়।

অনুমতি প্ৰদান কৰা হয়।

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদন চি.জে.চি. নং ১৯৭০/৮৯-ত উৰিষ্যা উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ১৯ জুলাই, ১৯৯১ তাৰিখে প্ৰদান কৰা ৰায়দানৰ পৰা উদ্ভৱ হৈছে। উত্তৰদাতা নং ১ আবেদনকাৰী-নিগমৰ এক কণ্ডাক্টৰ

আছিল। বাৰিপাদা জিলাত নিযুক্ত হৈ থকা সময়ত তেওঁ অসদাচাৰণ কৰিছিল। তেওঁৰ বিৰুদ্ধে অনুশাসনমূলক তদন্ত কৰা হৈছিল আৰু তেওঁৰ অসদাচৰণৰ বিষয়ে প্ৰমাণ পোৱাত তেওঁক সেৱাৰ পৰা বৰ্খাস্ত কৰা হৈছিল যেতিয়া ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ (চমুকৈ "আইন"খন)-ৰ ধাৰা ১০(১)(ডি)-ৰ অধীনত ৰুজু কৰা ১৯৮১-ৰ ঔদ্যোগিক বিবাদ গোচৰ সংখ্যা ২৫-ৰ সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাছিল। উত্তৰদাতাই আইনখনৰ ধাৰা ৩৩ (১) (এ)-ৰ অধীনত এখন আবেদন দাখিলৰ জৰিয়তে যুক্তি আগবঢ়াইছিল যে যিহেতু ভদ্ৰক মণ্ডলৰ এগৰাকী কৰ্মচাৰী সম্পৰ্কে এক বিবাদ সম্বন্ধত ঔদ্যোগিক ন্যায়াধীকৰণত সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাছিল, সেইবাবে ধাৰা ৩৩-এ-ৰ অধীনত ন্যায়াধীকৰণৰ অনুমতি অবিহনে তেওঁক সেৱাৰ পৰা বৰ্খাস্ত কৰিব নোৱাৰি। ন্যায়াধীকৰণে আবেদনখন খাৰিজ কৰিছিল, কিন্তু লেখ আবেদন সন্দৰ্ভত খণ্ড বিচাৰপীঠে বিবাদিত ৰায়দানটোত আদেশটো খাৰিজ কৰিছিল আৰু ৰায় দিছিল যে খাৰিজৰ আদেশ আইনমতে গ্ৰহণযোগ্য নহয়। বৰ্তমান এয়া স্বীকাৰ্য যে এই আবেদনৰ নিষ্পত্তি হোৱাৰ আগতে উত্তৰদাতাই কোনো বকেয়া ধন দাবী নকৰাৰ চুক্তি সাপেক্ষে ছেপ্টেম্বৰ, ১৯৯৩-ত তেওঁ পুনৰাই নিযুক্তি দিয়া হৈছিল।

প্ৰশ্নটো হৈছে : উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা দৃষ্টিভংগী আইনীভাৱে শুদ্ধ নে? এয়া কোনো বিবাদৰ বিষয় নহয় যে প্ৰশাসনিক সুবিধা, কাৰ্যকাৰিতা, সুসমন্বয়িত পৰিবহন ব্যৱস্থা আৰু কৰ্তব্য সম্পাদনৰ বাবে নিগমে ইয়াৰ সংকল্প গ্ৰহণেৰে যান-বাহন আইনৰ অধীনৰ ইয়াৰ পৰিচালনা ক্ষেত্ৰত খণ্ড, মণ্ডল, আৰু বিশেষ মণ্ডলৰ সৃষ্টি কৰিছিল। ভদ্ৰক মণ্ডলত কৰ্মৰত কৰ্মচাৰীগৰাকীৰ সন্দৰ্ভত ঔদ্যোগিক বিবাদ গোচৰটো অমিমাংসিত হৈ থকা সময়ত উত্তৰদাতা বাৰিপাদা অঞ্চলত কৰ্মৰত আছিল।

দেখা যায় যে *ঈশা স্টীল ট্ৰিটমেণ্ট, বম্বে* বনাম *এচ'চিয়েশ্যন* অফ *ইঞ্জিনীয়েৰিং ৱৰ্কাৰ্ছ, বম্বে আৰু অন্য*, [১৯৮৭], ২ এচ.চি.চি. ২০৩-ত এই আদালতে অনুৰূপ প্ৰশ্ন এটা বিবেচনা কৰিছিল যে চাৰ্চ গেটৰ কাৰ্যালয় আৰু ট্ৰম্বেৰ কাৰখানাৰ মাজত কাৰ্যকৰী অখণ্ডতা আছে নে নাই। এয়া ৰায় দিয়া হৈছিল যে কাৰ্যকৰী অখণ্ডতাৰ অভাৱত পৃথক কাৰ্যালয়সমূহ স্বতন্ত্ৰ ইউনিট হিচাপে গঠন কৰিব পাৰি আৰু সেইবোৰক এটা ইউনিট হিচাপে গণ্য কৰিব নোৱাৰি। ইয়াৰ ভিত্তি হিচাপে এই আদালতে *ৱৰ্কমেন* বনাম *ষ্ট্ৰ ব'ৰ্ড মেন্যুফেক্চাৰিং কো. লিমিটেড*, [১৯৭৪] এচ.চি.চি. ৬৮১-ৰ এক ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰিছিল। সেই একেই অনুপাত এই গোচৰটোৰ তথ্যসমূহৰ ওপৰত প্ৰযোজ্য। পূৰ্বে উল্লেখ কৰা অনুসৰি, সুচাৰুৰূপে কৰ্তব্য সম্পাদন আৰু পৰিবহন ব্যৱস্থাৰ সুসমন্বয়িত সেৱাৰ বাবে নিগমৰ দ্বাৰা কেইবাটাও মণ্ডল সৃষ্টি কৰা হৈছিল আৰু প্ৰত্যেকটো মণ্ডল ইয়াৰ পৰিচালনাৰ কাৰ্যকাৰীতা সন্দৰ্ভত স্বতন্ত্ৰ। গতিকে সকলো মণ্ডল এটা ইউনিট স্বৰূপে সুসমন্বয়িত পৰিৱহন সেৱাৰ অবিচ্ছেদ্য অংগ নহয়। এনে পৰিস্থিতত, সকলো মণ্ডল নিগমৰ এক অবিচ্ছেদ্য অংগ বুলি গণ্য কৰা আৰু এক অন্য মণ্ডলত এগৰাকী কৰ্মচাৰীৰ ঔদ্যোগিক বিবাদ অমিমাংসিত হৈ থকাটোৱে পৰিচালকবৰ্গই সেই নিৰ্দিষ্ট মণ্ডলটোত এগৰাকী কৰ্মচাৰীৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা কৰাত বাধাৰ সৃষ্টি কৰিব বুলি উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা সিদ্ধান্ত স্পষ্টভাৱে ভুল। আমাৰ মতামত এয়ে যে এনে গোচৰত পৰিচালকবৰ্গই আইনখনৰ ধাৰা ৩৩-এ-ৰ আধাৰত ঔদ্যোগিক ন্যায়াধিকৰণৰ পৰা অনুমতি বিচৰা আৰু প্ৰাপ্ত কৰাৰ প্ৰয়োজন নাই।

সেই অনুসৰি এই আবেদন খাৰিজ কৰা হ'ল। কিন্তু, আবেদনকাৰী আৰু শ্ৰমিকগৰাকীৰ মাজৰ বুজাবুজিৰ প্ৰতি লক্ষ্য ৰাখি আৰু যিহেতু তেওঁক বকেয়া ধন

অবিহনে ইতিমধ্যে পুনৰাই নিযুক্তি দিয়া হৈছে, গতিকে এই আদেশ উত্তৰদাতা সেৱাত ব্ৰত হৈ থকাৰ পথত হেঙাৰ হৈ নৰয়। ব্যয় অবিহনে।

টি.এন.এ. আবেদন খাৰিজ কৰা হ'ল।

* * * * * * * *

অনুবাদক – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

পৰীক্ষক –

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব।

সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")